স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

(ডিব্ৰুগড় সংস্কৰণ

VOL-13 ☐ NO-344 ☐ WEDNESDAY 21 FEBRUARY 2024

...হিলা সহ ঘৰৰ
...কৰিও নিছিল
...াটি অহা লাডু
...চালনাত পুনৰ
...ক দেহ ব্যৱসায়।
...তত ৰাইজৰ
...অভিযানত নামি
...ৰ মহিলাসকলে
...াকী যুৱতী আৰু
... ব্যক্তিক উদ্ধাৰ
... উলিয়াই আনি
...খি উত্তেজনাময়
...ূচনা কৰে।
...ক্ষী উপস্থিত হৈ
... ৰবা আৰু তেওঁৰ
...াৰ লগতে ৰাইজৰ
...ুৱতী আৰু এজন
... থানলৈ লৈ যায়।

## ডিএইচএছ কানৈত বক্তৃতানুষ্ঠান

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২০ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত অলপতে এক মননশীল বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী ড° সূৰ্যকান্ত হাজৰিকাই 'ঊনবিংশ শতিকাৰ অসমত সাহিত্য চৰ্চা আৰু অসম বিষয়ক গ্ৰন্থৰ এটি সমীক্ষাত্মক ৰেহৰূপ' বিষয়ত বক্তৃতা প্ৰদান কৰে। মহাবিদ্যালয়খনত উপস্থিত হোৱা অসম সাহিত্য সভাৰ সভাপতিগৰাকীয়ে ঊনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ জগতখনৰ বিশ্লেষণ আগবঢ়ায়। অধ্যাপিকা শিখামণি কোচ দেউৰীয়ে আঁত ধৰা অনুষ্ঠানত ড° হাজৰিকাই কয়— ঊনবিংশ শতিকাত অসমত খ্ৰীষ্টান মিছনেৰীসকলৰ উপৰি প্ৰশাসন যন্ত্ৰৰ লগত জড়িত কিছুসংখ্যক লোকেও অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধনত বৰঙণি আগবঢ়াইছিল। অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা অঞ্জুমণি ফুকনে। এই অনুষ্ঠানতে সাহিত্য সভাৰ সভাপতিগৰাকীক চেলেং চাদৰ, ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱাৰ লগতে অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে সভাপতিসকলৰ ফটো সম্বলিত এখন সুন্দৰ ফটো অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক গৌতম গগৈয়ে সভাপতিগৰাকীক প্ৰদান কৰে। অনুষ্ঠানত ড° অনুপজ্যোতি ভৰালী আৰু ড° সূৰ্যকান্ত হাজৰিকাৰ সহধৰ্মিণী, গুৱাহাটীৰ এছকে হাজৰিকা মহাবিদ্যালয়ৰ অধ্যক্ষা ইভা হাজৰিকাই বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত অধ্যাপক ড° জ্যোতিপ্ৰসাদ ফুকন, শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপক অসীম শইকীয়াই।

মাভ...
বে...
মাধ্যি...

নিয়মীয়া...
ফেব্ৰুৱাৰী...
কেন্দ্ৰত...
মাধ্যমিক...
শিক্ষানী...
নতুন নভ...
৩,০৫১...
হৈছে। ...
মাজুলীৰ...
ভকতিদু...
বিদ্যালয়...
লগা আ...
পৰীক্ষাত...
জানিব...